# 70th Foundation Day of ICCR

April 09, 2020

## ইণ্ডিয়ান কাউন্সিল ফৰ কালচাৰেল ৰিলেচনচৰ ৭০তম প্ৰতিষ্ঠা দিৱস

এপ্ৰিল 09, 2020

ইণ্ডিয়ান কাউন্সিল ফৰ কালচাৰেল ৰিলেচনচে 9 এপ্ৰিলৰ দিনা ৭০তম প্ৰতিষ্ঠা দিৱস পালন কৰিব। কিন্তু ক'ভিড-19ৰ প্ৰাদুৰ্ভাৱৰ ফলত আগতেই পৰিকল্পনা কৰি থোৱা এই মহা আড়ম্বৰপূৰ্ণ অনুষ্ঠান এবছৰ পিছুৱাই দিয়া হৈছে।

আই.চি.চি.আৰ.ৰ অধ্যক্ষ ডা: বিনয় সহস্ৰবুদ্ধে এই সন্দৰ্ভত তেওঁৰ বাৰ্তাত কয়, “আই.চি.চি.আৰ.ৰ বিশেষত্ব হৈছে ভাৰতীয় সংস্কৃতিৰ সাৰগৰ্ভ তত্ত্বসমূহ ৰোপন কৰি ইয়াৰ মহত্ব প্ৰচাৰ কৰা আৰু যিসময়ত সমগ্ৰ বিশ্বই এক অপ্ৰত্যাশিত প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈ অকলশৰীয়া আৰু সংযোগ বিচ্ছিন্নতা অনুভৱ কৰিছে, ভাৰতীয় দৰ্শনৰ মন্ত্ৰ ৱসুধাইব কুটুম্বকম অৰ্থাৎ সমগ্ৰ বিশ্বই এটি পৰিয়াল নীতি বিশেষভাৱে প্ৰাসঙ্গিক হৈ পৰিছে। আনকি লকডাউনৰ এই সময়তো, আই.চি.চি.আৰ.এ যোগাভ্যাস, শাস্ত্ৰীয় নৃত্য আৰু হিন্দী আৰু সংস্কৃত ভাষা শিকাবলৈ ই-টিউটৰিয়েল পৰিচালনা কৰিছে| আমি কৰিবই লাগিব মোনভাৱ লৈ কাম কৰি গৈ আছোঁ। ইতিমধ্যে ক'ভিড-19 মহামাৰীৰ সৈতে যুঁজ দিয়াৰ বিষয়ৰ ওপৰত এখনি বিশ্বজুৰি চিত্ৰাংকন প্ৰতিযোগিতাৰ কথা ঘোষণা কৰা হৈছেই আৰু এনে আন বহু অনুষ্ঠানৰ জৰিয়তে আমি আমাৰ কৰ্তব্য কৰি যাম।"

আই.চি.চি.আৰ., ভাৰত আৰু বিশ্বৰ দেশসমূহৰ মাজৰ সাংস্কৃতিক সম্পৰ্ক অধিক কটকটীয়া কৰিবৰ বাবে আৰু আন দেশৰ নাগৰিকসকলৰ সৈতে সাংস্কৃতিক বিনিময় কৰাৰ উদ্দেশ্যে ভাৰতৰ সৰ্বপ্ৰথম শিক্ষামন্ত্ৰী মৌলানা আবুল কালাম আজাদে 1950 চনত প্ৰতিষ্ঠা কৰিছিল।

বিগত সাতটা দশকত, আই.চি.চি.আৰ.এ নিজৰ কাৰ্য দক্ষতাৰে ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ প্ৰচাৰৰ ক্ষেত্ৰত এক নতুন পৰিসীমা অৰ্জন কৰিবলৈ সক্ষম হৈছে আৰু বিভিন্ন সু-পৰিকল্পিত আৰু উদ্দেশ্য প্ৰণোদিত কাৰ্যসূচীৰে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ এক ‘নৰম শক্তি’ৰূপে উত্থান হৈছে।

আই.চি.চি.আৰ.ৰ বৃহৎ পৰিমাণৰ সাংস্কৃতিক, শৈক্ষিক আৰু বৌদ্ধিক বিনিময় আৰু ভাৰতীয় সংস্কৃতিৰ প্ৰচাৰৰ বাবে বিদেশত থকা 38টা সাংস্কিতক কেন্দ্ৰ আৰু ভাৰতত অৱস্থিত 19টা আঞ্চলিক কাৰ্যালয়ৰ জৰিয়তে ভাৰতীয় কলা, ইতিহাস, মৌখিক পৰম্পৰা, নৃত্য, সংগীত, যোগাভ্যাস, ভাষা, খাদ্য, উৎসৱ আৰু সামগ্ৰিক সমস্যা আদিৰ প্ৰচাৰৰ বাবে গ্ৰহণ কৰা কাৰ্যই বিভিন্ন প্ৰচাৰ কাৰ্যসূচীকো চেৰ পেলাইছে।

আই.চি.চি.আৰ.ৰ অধীনত ভাৰতীয় সংস্কৃতিৰ সাৰগৰ্ভ তত্ত্বসমূহ প্ৰচাৰৰ বৃহত্তৰ উদ্দেশ্য সিদ্ধিৰ বাবে বিশ্বৰ দৰবাৰত আয়োজন কৰা মুখ্য কাৰ্যসূচীসমূহক নিম্নলিখিত বিভাগসমূহত শ্ৰেণীবদ্ধ কৰিব পাৰি:

i) ভাৰতীয় সংস্কৃতিৰ প্ৰতিনিধিসকলৰ বিদেশ ভ্ৰমণ কাৰ্যসূচী আৰু বিদেশত ভাৰতীয় উৎসৱ আদিৰ পৃষ্ঠপোষকতা কৰি ভাৰতীয় কলাৰ প্ৰচাৰ;

ii) বৈদেশিক সাংস্কৃতিক দল আৰু আন্ত:ৰাষ্ট্ৰীয় সাংস্কৃতিক উৎসৱ আদি ভাৰতত অনুষ্ঠিত কৰা;

iii) ভাৰত আৰু বিদেশত কলা আৰু শিল্পৰ প্ৰদৰ্শনী;

iv) ভাৰতৰ বিশিষ্ট আৰু আধ্যাত্মিক প্ৰতীকৰ মূৰ্তি, প্ৰতিচ্ছবি আদি বিদেশত উপহাৰ ৰূপে দিয়া;

v) বিদেশৰ ছাত্ৰ-ছাত্ৰীৰ বাবে জলপানি আঁচনিৰ ৰূপায়ণ;

vi) বৈদেশিক প্ৰতিষ্ঠান/বিশ্ববিদ্যালয়সমূহত ভাৰতীয় চেয়াৰ আৰু সাহচৰ্য অনুষ্ঠান আদিৰ প্ৰতিস্থাপন;

vii) বিদেশৰ পৰা খ্যাতিসম্পন্ন আৰু শিক্ষামূলক দৰ্শনকাৰীক আমন্ত্ৰণ জনাই ভাৰতৰ এক চানেকী দাঙি ধৰা;

viii) বঁটা প্ৰদান অনুষ্ঠান (প্ৰাক্তন ছাত্ৰ, ভাৰতীয় বিদ্যা আৰু সংস্কৃত);

ix) ভাৰতীয় ভাষাৰ, বিশেষকৈ হিন্দী আৰু সংস্কৃত আৰু ভাৰতীয় সাহিত্যৰ বিদেশত প্ৰচাৰ;

x. যোগাভ্যাসৰ প্ৰচাৰ আৰু আন্ত:ৰাষ্ট্ৰীয় যোগ দিৱসৰ বিদেশত প্ৰচাৰ;

xi. বাৰ্ষিক বক্তৃতা চিৰিজ (21 মে'ত বিশ্ব সংস্কৃতি দিৱস উপলক্ষে দীনদয়াল উপাধ্যায় স্মাৰক বক্তৃতা) আদিৰ আয়োজন কৰা।

বিগত বছৰসমূহত, এই চিন্তা, ভাৱ, আদৰ্শ আৰু সংস্কৃতিসমূহৰ ধাৰণ কৰি, আই.চি.চি.আৰ.এ আমাৰ সহস্ৰ বছৰ পুৰণি সভ্যতা আৰু সাংস্কৃতিক মূল্যধাৰা বিশ্বলৈ আগুৱাই লৈ গৈছে আৰু ৰসুধাইব কুটুম্বকম অৰ্থাৎ সমগ্ৰ বিশ্বই এটি পৰিয়াল নীতিক উৎসাহিত কৰিছে।আই.চি.চি.আৰ.ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ শক্তিশালী গোটসমূহতো আই.চি.চি.আৰ.ৰ বাৰ্তা সমগ্ৰ বিশ্বতে বিয়পোৱাৰ এক অদম্য উৎসাহ নিহিত হৈ আছে।এই পৰিষদে বৰ্তমান প্ৰায় 4,000 জলপানি স্নাতক, স্নাতকোত্তৰ, এম.ফিল./ডক্টৰেট আৰু পোষ্ট-ডক্টৰেট সাহচৰ্য আদি বিভিন্ন ভাৰতীয় বিশ্ববিদ্যালয়/প্ৰতিষ্ঠান আদিত বাৰ্ষিকভাৱে প্ৰদন কৰিছে।

ভাৰতীয় সংস্কৃতি আৰু সভ্যতাৰ বিষয়ে জনাৰ অনুসন্ধিৎসু সদায়েই আছে। ভাৰতে সমগ্ৰ বিশ্বৰ জ্ঞান অৰ্জনৰ প্ৰতি উৎসুক আৰু অনুসন্ধিৎসু মনৰ অধিকাৰীসকলক অতীজৰে পৰাই আকৰ্ষণ কৰি আহিছে। ভাৰত শিক্ষাৰ কেন্দ্ৰ ৰূপে আগৰে পৰাই প্ৰখ্যাত আৰু ভাৰতে বিভিন্ন সমাৱৰ্তন, অধিবেশন, ভাৰতীয় অধ্যয়ণৰ চেয়াৰ আদিৰ যোগেদি আৰু ভাৰতীয় প্ৰতিষ্ঠানৰ প্ৰাক্তন ছাত্ৰৰ কাৰ্যসমূহৰ দ্বাৰা শৈক্ষিক বিনিময়ৰ প্ৰচাৰ কৰি আহিছে।

আমাৰ সাতটা দশকজুৰা আৱস্থিতি নিজৰ ভিতৰতেই এটা গৰ্ব আৰু আনন্দৰ বিষয়। সাম্প্ৰতিক সময়ৰ ক'ভিড-19 মহামাৰীৰ সৈতে যুঁজ দিয়াৰ এই ক্ষণত আই.চি.চি.আৰ.এ ইয়াৰ প্ৰতিষ্ঠা দিৱস 9 এপ্ৰিল তাৰিখে বিভিন্ন অনলাইন কাৰ্যসূচীৰ জৰিয়তে ভাৰত অৰু বিদেশত উদযাপন কৰিব। বিদেশৰ ছাত্ৰ-ছাত্ৰী আৰু ভাৰতীয় প্ৰবাসীসকলৰ বাবে এখনি ৰচনা প্ৰতিযোগিতা ভাৰত আৰু সমগ্ৰ বিশ্বতেই অনুষ্ঠিত কৰা হ'ব। ভাৰতত অধ্যয়ণৰত আই.চি.চি.আৰ.ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এটি ব্লগ মুকলি কৰা হ'ব আৰু বিদেশত বাস কৰা আমাৰ মিছনসমূহে যথোপযুক্তভাৱে এই দিনটো তেওঁলোকৰ দেশসমূহত উদযাপন কৰিব।

**নতুন দিল্লী**
**এপ্ৰিল 09, 2020**

Disclaimer: This is an approximate translation. The original is available in English on MEA’s website and can be referred to as an official press release.